# Book review

## 'লজ্জা'

লেখিকাৰ নাম – তছলিমা নাছৰিন।

কবিৰ পৰিচয়:- তছলিমা নাছৰিন ১৯৬২ চনৰ ২৫ আগষ্টত পূৰ্বপাকিস্তান বৰ্তমানৰ বাংলাদেশৰ ময়মনসিংহ-ত হৈছিল। 'লজ্জা' উপন্যাসখন তছলিমা নাছৰিনে লিখিছিল। তছলিমা নাছৰিন বাংলাদেশৰ এজনী সাহসী, উদাৰ চিন্তাধাৰৰ সাহিত্যিক, চিকিৎসক আৰু মানৱঅধিকাৰ কৰ্মী। তেওঁত সমাজত থকা অসমতা, সম্প্ৰদায়িকতা আৰু মহিলা অধিকাৰৰ দমন বিৰোধী লেখাৰ বাবে বিশ্বজুৰি পৰিচিত। "লজ্জা" তেওঁৰ সাহিত্যকৰ্ম বিতৰ্কিত কিন্তু অত্যন্ত প্ৰভাৱশালী উপন্যাস বুলি কোৱা হয়। এই উপন্যাসখন ১৯৯৩ চনত প্ৰকাশ পায়।

মূল কথা:- "লজ্জা" শব্দটোৰ অৰ্থ লাজ অৰ্থাৎ সন্মানবোধ। উপন্যাসখনত ১৯৯২-৯৩ চনৰ বাংলাদেশৰ সাম্প্ৰদায়িক উত্তেজনাৰ সময়ত দত্ত পৰিয়াল এটা হিন্দু পৰিয়ালক কেন্দ্ৰ কৰি সমাজত হোৱা অত্যাচাৰ, ভয়, বিচ্ছেদ আৰু মানসিক যন্ত্ৰণা দেখুৱা হৈছে। "লজ্জা" উপন্যাসখনত প্ৰধানকৈ (i) সাম্প্ৰদায়িকতাই কিদৰে মানুহক বিভক্ত কৰে, (ii) সংখ্যালঘু সম্প্ৰদায়ৰ ভয়, বেদনা, নিৰাপত্তাহীনতা, (iii) দেশপ্ৰেমবোধ বনাম ব্যক্তিগত সিদ্ধান্ত, (iv) মানৱতা বনাম ধৰ্মীয় ৰাজনীতি আদি। ইয়াত সুৰঞ্জনৰ অভিজ্ঞতাই দেখুৱাই দিছে যে, যেতিয়া সমাজত সহিষ্ণুতা নাথাকে, তেতিয়া দেশ ধৰ্ম, সংস্কৃতি

প্ৰকৃতি সুৰক্ষিত নোহোৱা হ'ব পাৰে।

উপন্যাসখনৰ মূল বাৰ্তা:- শান্তি আৰু সমতা ৰক্ষা কৰাটো সমাজৰ মূল দায়িত্ব। "লজ্জা" উপন্যাসখন পাঠকক গভীৰভাৱে ভাবিবলৈ বাধ্য কৰে, সমাজ কোনদিশে গতি কৰি আছে সেইটো উপলব্ধি কৰিবলৈ লেখিকাৰ মূল উদ্দেশ্য হিচাপে 'লজ্জা' উপন্যাসখনৰ জৰিয়তে প্ৰকাশিত কৰিছে।

পৰামৰ্শ:- মই সকলো মানুহকে 'লজ্জা' উপন্যাসখন ~~পাৰ~~ পঢ়িবলৈ পৰামৰ্শ আগবঢ়াইছো। কাৰণ এই উপন্যাসৰ পৰা ইতিহাস আৰু সমাজ-গঠন বুজিবলৈ অত্যন্ত শিক্ষণীয়, সাম্প্ৰদায়িকতা, মানৱাধিকাৰ আৰু ন্যায়-অন্যায় বুজিবলৈ উপযোগী, সহজ ভাষাত লিখা কিন্তু বিষয়বোৰ গভীৰ। সামাজিক ন্যায়ৰ বোধ বিকাশ কৰাত সহায় কৰে। বৰ্তমান সময়ত সমাজৰ মাজত হোৱা সমস্যাৰ লগত মিল থকা দেখা যায়। ই মানৱতাৰ মূল্য, সহাবস্থানৰ প্ৰয়োজনীয়তা আৰু সত্যৰ পক্ষত থিয় দিবৰ সাহস দিয়ে।

Name :- Nashitta Yesmim.

Class :- B. A. 5th Semester.

Rollno. :- UA-231-173-0134